# Course 507

# শিক্ষকৰ নেতৃত্ব

## ব্লক - 2

## গোট - 7

টোকা

## গোট - 7 ঃ শিক্ষকৰ নেতৃত্ব

# সংগঠন


7.0 পাতনি

7.1 শিকন উদ্দেশ্যাৱলী

7.2 নেতৃত্বৰ ধাৰণা

7.3 নেতৃত্ব আৰু পৰিচালনা

7.4. নেতৃত্বৰ প্ৰকাৰ

- 7.4.1 অট'ক্ৰেটিক নেতৃত্ব
- 7.4.2 লেইচেজ ফেয়াৰী নেতৃত্ব
- 7.4.3 ইজিগ'য়িং নেতৃত্ব
- 7.4.4 ডেম'ক্ৰেটিক নেতৃত্ব

7.5. নেতৃত্বমূলক কাৰ্যকলাপবোৰ

- 7.5.1 নিৰ্দেশমূলক কাৰ্যকলাপ
- 7.5.2 পৰিৱৰ্তনসূচক কাৰ্যকলাপ
- 7.5.3 আচৰণ সম্বন্ধীয় কাৰ্যকলাপ
- 7.5.4 অংশগ্ৰহণকাৰী কাৰ্যকলাপ
- 7.5.5 প্ৰাসংগিক কাৰ্যকলাপ

7.6 সাৰাংশ

7.7 অনুমোদিত গ্ৰন্থ আৰু প্ৰসংগপুথি

7.8 সম্পূৰ্ণ পাঠগোটৰ অনুশীলনী


## 7.0 পাতনি ঃ

সাধাৰণতে শিক্ষানুষ্ঠানসমূহ সেই ঠাইৰ স্থানীয় সমাজখনৰ দুটা সামাজিক কাৰকৰ দ্বাৰা প্ৰভাবান্বিত হয়। সেই দুটা ক্ৰমে (1) সাংস্কৃতিক আৰু (2) বাতাবৰণ বা আবহাৱা। এই দুয়োটায়ে মিলি শিক্ষানুষ্ঠানখনৰ ব্যক্তিত্ব আৰু বিচাৰধাৰাক প্ৰত্যক্ষ কৰে। এই ক্ষেত্ৰত 'সাংস্কৃতিক' শব্দটোৱে স্থানীয় সমাজখনৰ আশা আকাংক্ষাখিনি চিহ্নিত কৰি শিক্ষানুষ্ঠানখনৰ এটা আত্ম প্ৰতিবিম্ব বা প্ৰতিকৃতি প্ৰকাশ কৰে। ই সেইঠাইখনৰ অতীতৰ নেতৃত্ব, বৰ্তমানৰ নেতৃত্ব, ঠাইখনৰ সংকটকালীন অৱস্থা আৰু তাৰ বুৰঞ্জী আদি


টোকা

কথাবোৰৰ সামৰি ৰাখে। ঠাইখনৰ কাৰ্যক্ৰমণিকা, মাংগলিক কাৰ্যকলাপ আৰু মূল্যবোধ যিবোৰে সেই ঠাইখনৰ পৰম্পৰাগত প্ৰথাবোৰ বা সমাজখনৰ মানুহখিনিয়ে কৰা কাৰ্যকলাপবোৰ দাঙি ধৰে। এই সমূহীয়া প্ৰচেষ্টাৰ লক্ষ্য আৰু আশা আকাংক্ষাবোৰেই অনুষ্ঠানটোৰ সংস্কৃতিক দিশটোক প্ৰতিবিম্বিত কৰে। ব্যক্তিগত নেতৃত্বই কেতিয়াও সহজে এটা সংস্কৃতি সৃষ্টি বা সলনি কৰিব নোৱাৰে কিন্তু শিক্ষানুষ্ঠানখনৰ এটা দিশক সুস্পষ্টভাৱে চলাই আগুৱাই নিয়াত যথেষ্ট বৰঙণি যোগাব পাৰে।

অন্যহাতে সংস্কৃতি শব্দটোৱে 'সংগঠনটোৰ অনুভৱ' অৰ্থাৎ সমাজখনৰ অভিজ্ঞতা, সংবেদন, প্ৰবৃত্তি বা মনোভাব আদি ভাববোৰ স্পষ্ট কৰে। সেয়েহে সংস্কৃতি শব্দটো যে অনুষ্ঠানখনৰ চাৰিওকাষে থকা সম্প্ৰদায় আৰু বৰ্তমান সময়ৰ নেতৃত্বৰ দ্বাৰা গঠিত এক চমু পৰিঘটনাকে বুজায়। সেয়েহে 'সংগঠনটোৰ অনুভৱ' শব্দটো সেই সমাজখনৰ বিভিন্ন কাৰ্যকলাপবোৰৰ দ্বাৰা উদ্ভৱ হোৱা বিশ্বাসৰ এটা ব্যক্তিগত অনুভূতি বুলিব পাৰি। এই কাৰ্যকলাপবোৰে ব্যক্তিগত আৰু সমাজখনৰ প্ৰেৰণা আৰু সন্তুষ্টিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে।

এই পাঠ গোটটোত আমি শিক্ষকৰ নেতৃত্বৰে অনুষ্ঠানখনৰ চাৰিওদিশৰ লগতে গাতে লাগি থকা সমাজখনৰ এটা ফলপ্ৰসূ সাংগঠনিক সাংস্কৃতিক যোগসূত্ৰ স্থাপনৰ বিভিন্ন দিশসমূহৰ পৰ্যালোচনা কৰিমহক।

## 7.1 শিকনৰ উদ্দেশ্যাৱলী ঃ

পাঠ গোটটোৰ আলোচনাৰ অন্তত নিম্নলিখিত কথাসমূহ খৰচি মাৰি জানিব পাৰিব।

- নেতৃত্বৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- পৰিচালনাৰ মাজতে কিদৰে নেতৃত্ব সোমাই থাকে তাৰ পৰ্যালোচনা
- নেতৃত্বৰ বিভিন্ন প্ৰকাৰ আৰু সিহঁতৰ মাজত থকা পাৰ্থক্যৰ চিনাক্তকৰণ
- ব্যক্তিগত বিভিন্ন কাৰ্যকলাপবোৰ আৰু তাৰ মাজৰ পৰা অনুষ্ঠানখনৰ নিৰ্ধাৰিত বিষয়বস্তুৰ ক্ষেত্ৰত উপনীত কৰিব পৰাকৈ উচিত নেতৃত্বৰ কাৰ্যকলাপ চিনাক্তকৰণ
- গাঁও সমিতি আৰু স্থানীয় নিজস্ব প্ৰশাসনৰ শিক্ষাৰ ক্ষেত্ৰত থকা আশাবোৰ পূৰণ কৰিব পৰাকৈ শিক্ষকজনে কৰিব লগা কাৰ্যকলাপ আৰু নেতৃত্বৰ আভাষ
- সমাজখনক শৈক্ষিক নেতৃত্বৰ প্ৰদানৰ ক্ষেত্ৰত শিক্ষকজনক কিদৰে অনুকৰণীয় ব্যক্তি হিচাবে প্ৰতিষ্ঠাপিত কৰিব তাৰ আলোচনা।

## 7.2 নেতৃত্বৰ ধাৰণা ঃ

আন সকলো শিক্ষক-শিক্ষয়িত্ৰীৰ দৰে তেৰোঁ আজি প্ৰথম শ্ৰেণীকোঠাত



টোকা

সোমায়েই সকলো ছাত্ৰ-ছাত্ৰীৰ ওপৰত চকু ফুৰাই গ'ল আৰু ক'লে যে তেওঁ সকলোকে সমভাবে ভাল পায়। কিন্তু তেওঁ সেই কথাষাৰ সফল ৰূপায়ণ কৰিব নোৱাৰিলে কিয়নো শ্ৰেণীকোঠাৰ শেষ বেঞ্চত থকা প্ৰকাশ নামৰ ল'ৰাটোক তেওঁ কেতিয়াও ভাল পাব পৰা নাছিল।

শিক্ষয়িত্ৰী মিশ্ৰই গোটেই বছৰটো লক্ষ্য কৰিলে যে প্ৰকাশে সদায়ে লেতেৰা কাপোৰ পিন্ধে আৰু জধলা হৈ আহে। আনকি তাৰ কাৰো লগত কথা পতাৰো মন নাথাকে। যিহেতু মিশ্ৰ পঞ্চম শ্ৰেণীৰ শ্ৰেণী শিক্ষক আছিল গতিকে তেওঁ প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰীৰ পুৰণা ৰেকৰ্ডবোৰ পুনৰ বিশ্লেষণ কৰিবলগীয়া হৈছিল। প্ৰকাশৰ ৰেকৰ্ড কাৰ্ড বিশ্লেষণ কৰি তেওঁ আচৰিত হৈ পৰিছিল। কিয়নো প্ৰকাশৰ প্ৰতি বছৰৰ শিক্ষকৰ ৰেকৰ্ড এনেধৰণৰ —

**প্ৰথম শ্ৰেণী ঃ** প্ৰকাশ এজন চোকা বুদ্ধিৰ আৰু ভাল লগা স্বভাৱৰ ল'ৰা। সি তাৰ ঘৰুৱা কাম নিষ্ঠাৰে সময়মতে কৰে আৰু স্কুলৰ বাবে এটা আনন্দদায়ক মনৰ ল'ৰা।

**দ্বিতীয় শ্ৰেণী ঃ** প্ৰকাশ এটা মেধাৱী ল'ৰা যাক তাৰ সহপাঠীসকলে ভাল পায়। কিন্তু বৰ্তমান সময়ত যিহেতু তাৰ মাক দুৰাৰোগ্য ৰোগত আক্ৰান্ত সেয়ে নিশ্চয় ঘৰুৱা পৰিৱেশ কিছু অস্থিৰ সেয়েহে তাকো কিছু অস্থিৰ অনুভৱ হয়।

**তৃতীয় শ্ৰেণী ঃ** তাৰ মাকৰ মৃত্যুৱে তাক অতিশয় অস্থিৰ কৰি তুলিছে। ইয়ে তাৰ শিক্ষাৰ ক্ষেত্ৰত এটা বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সি সকলো ঠিকে ঠাকে চলাবলৈ আপ্ৰাণ চেষ্টা কৰিছে যদিও তাক তাৰ দেউতাকে বা সি বসবাস কৰা ওচৰ-চুবুৰীয়াই এই ক্ষেত্ৰত তাক অকণো সহায় সহযোগিতা আগবঢ়োৱা নাই। সেয়েহে সময় থাকোতেই যদি কোনো শুধৰণীমূলক ব্যৱস্থা হাতত লোৱা নহয় তাৰ এই ঘৰুৱা অৱস্থাই তাৰ শৈক্ষিক জীৱনতো অতি সোনকালেই বেয়া প্ৰভাৱ পেলাব।

**চতুৰ্থ শ্ৰেণী ঃ** প্ৰকাশে আজিকালি অনবৰতে নীৰৱ হৈ থাকিয়ে সময় কটায়। আনকি স্কুলৰ কোনো কামতে মনো নিদিয়ে। ঘৰুৱা শৈক্ষিক কাম কৰাৰ পৰা বিৰত থাকে। সি তাৰ পুৰণি বন্ধু-বান্ধৱীৰ লগতো সময় নকটায়। শ্ৰেণীকোঠাত সি কেতিয়াবা শুয়ো থাকে।

মিশ্ৰ বাইদেৱে ঘটনাটো বুজি পায় নিজে নিজে মনতে বৰ লাজ পালে। সেইদিনাৰ পৰাই তেওঁ শ্ৰেণীকোঠাত আজিলৈকে চলাই অহা গতানুগতিক পদ্ধতিৰ পাঠদান প্ৰক্ৰিয়াৰ গতি সলাই শিশুকেন্দ্ৰিক পদ্ধতিৰে পেলাবলৈ ঠিক কৰিলে। তাৰ পৰিবৰ্তে তেওঁ শিকন প্ৰক্ৰিয়াটো ছাত্ৰ-ছাত্ৰীৰ দ্বাৰাই কৰাবলৈ ঠিক কৰিলে। তেওঁ প্ৰকাশক কেন্দ্ৰবিন্দু কৰি ল'লে। যেতিয়া তেওঁ তাৰ স'তে কাম কৰিবলৈ ল'লে সি যেন কিছু সতেজ হ'বলৈ ধৰিলে এনে ভাব হ'ল তেওঁৰ। তেওঁ যিমানে তাক উৎসাহ দিলে সি যেন সিমান সোনকালে তাৰ প্ৰত্যুত্তৰ দিলে। বছৰৰ শেষলৈকে প্ৰকাশ শ্ৰেণীকোঠাৰ ভিতৰত সকলোতকৈ স্মাৰ্ট ল'ৰা হিচাবে পৰিগণিত হ'ল আৰু তেওঁ সকলোৰে সমভাবে ভাল


টোকা

পাও বুলি কোৱা কথাষাৰ মিছা কৰি প্ৰকাশক 'শিক্ষকৰ প্ৰিয়পাত্ৰ' হিচাবে গণ্য কৰিব ধৰিলে।

এবছৰ পাছত বাইদেৱে তেওঁৰ দৰজাৰ তলত এখন কাগজ পালে। তাত প্ৰকাশে লিখিছিল 'মই লগ পোৱা সকলো শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত আপুনি শ্ৰেষ্ঠতম'।

এনেদৰে সময়বোৰ গৈ থাকিল। প্ৰকাশ তাৰ শৈক্ষিক জীৱনৰ প্ৰতিটো শ্ৰেষ্ঠমুহূৰ্তত মিশ্ৰ বাইদেউক মনত পেলাই চিঠি একোখনকৈ দি থাকিল। চিঠিত মান এষাৰেই কথা যে তেওঁ এতিয়াও তাৰ বাবে আটাইতকৈ ভালপোৱা শ্ৰেষ্ঠ বাইদেউ।

এনেদৰে বহু বছৰৰ মূৰত মিশ্ৰ বাইদেৱে আন এখন চিঠি পালে। এইবাৰ প্ৰকাশে চিঠিত লিখিছিল যে সি এম বি বি এছ ডিগ্ৰী পোৱাৰ পাছত পোৱা পুনৰ উচ্চ ডিগ্ৰী এটা ল'ব বিচাৰে। সি নিশ্চিত কৰিছে যে সি তাৰ জীৱনত লগ পোৱা সকলো শিক্ষক-শিক্ষয়িত্ৰীৰ ভিতৰত তেওঁ শ্ৰেষ্ঠ। আকৌ সি লিখিছে যে এইবাৰ বসন্তকালত বন্ধত আহোতে সি তেখেতক এবাল লগ ধৰিব। অৱশ্যে এতিয়া তাৰ নামটো অলপ দীঘলীয়া হৈছে ... ইতি, প্ৰকাশ মোহন, এম ডি।

প্ৰকাশে চিঠিত লিখাৰ দৰেই বসন্ত কালত মিশ্ৰ বাইদেউক লগ ধৰিবলৈ আহিল। দুয়োজনে দুয়োজনক দেখা মাত্ৰকে সাবটি ধৰিলে। ড° মোহনে মিশ্ৰ বাইদেউৰ কাণত ফুচফুচাই ক'লে 'ধন্যবাদ বাইদেউ, মোৰ ওপৰত ইমান আস্থা ৰখা বাবে আৰু মই যে এজন প্ৰয়োজনীয় ব্যক্তি সেই অনুভৱ মোৰ মনত সৃষ্টি কৰোৱা বাবে আৰু মই যে কিবা এটা কৰি দেখুৱাব পাৰো তাৰ ওপৰত আস্থা জগোৱা বাবে মিশ্ৰ বাইদেউৰ চকুযুৰি সেমেকি উঠিল আৰু তেৰোঁ তাৰ কাণৰ কাষত ক'লে 'প্ৰকাশ তুমি ভুল ভাবিছা কিয়নো এজন মানুহক কেনেকৈ পুনৰ সুপথলৈ ওভতাই আনিব পাৰি সেইটো তোমাৰ সহায়তহে মই শিকিলো। তোমাক লগ পোৱাৰ আগলৈকে সেই পদ্ধতি সম্বন্ধে মই একেবাৰে জ্ঞাত নাছিলো। সমাজত শিশুৰ শিক্ষাৰ ক্ষেত্ৰত থকা যত্নৰ ক্ষেত্ৰত তুমি মোৰ পথ প্ৰদৰ্শক। সকলো শিশুকে স্কুল মুখী কৰাৰ কাৰ্যকুশলতা বৃদ্ধিত তুমিয়ে মোক সহায় কৰিলা। তুমিয়ে মোক এই অনুভৱো কৰোৱালা যে শিক্ষকজনে সমাজখনক বিদ্যালয়মুখী কৰোৱা আৰু বিদ্যালয়খন সমাজমুখী কৰোৱাৰ ক্ষেত্ৰত নেতৃত্ব প্ৰদান কৰিব পাৰে বা লাগে।

উক্ত বৃত্তান্তটো মিশ্ৰ বাইদেৱে লোৱা নেতৃত্বৰ এটা উদাহৰণ স্বৰূপে ডাঙি ধৰিছে। তেওঁ প্ৰকাশ নামৰ সৰু ল'ৰাজনৰ অসুবিধাখিনি বুজি তাৰ সমাধানৰ উপায় হিচাবে সি যে অত্যন্ত প্ৰয়োজনীয় সেই সম্বন্ধে অনুভৱ আৰু জ্ঞাত কৰাই তাৰ জীৱনৰ গতি পুনৰ সঠিক পথলৈ লৈ আহে। মিশ্ৰই নিজকে সামাজিক দায়বদ্ধতাৰ দায়িত্ব হিচাপে গ্ৰহণ কৰে আৰু ছাত্ৰ-ছাত্ৰীসকললৈ সহায়ৰ হাত আগবঢ়াই। এয়া আচৰিত হ'বলগীয়া কথা নহয় যে এজন শিক্ষকৰ 'শৈক্ষিক নেতৃত্বই কি কৰিব নোৱাৰে। স্কুল আৰু সেই বিদ্যালয়ৰ গাতে লাগি থকা সমাজখনৰ বাবে শিক্ষকজনেই হ'ল প্ৰধান আৰু মহান নেত্ৰী।

পাঠ আৰু আগবঢ়োৱাৰ আগতে আহকচোন আমি নেতৃত্বৰ ধাৰণা সম্বন্ধে কিছু কথা জানি লওঁ। এতিয়া তলৰ কথাখিনিৰ ওপৰত কাৰ্য কৰি আলোকপাত কৰো

টোকা

আহক—

(১) আপোনাৰ মতে এজন ফলপ্ৰসূ শিক্ষক নেত্ৰীৰ চিনাক্ত কৰক।

(২) সেই শিক্ষক/শিক্ষয়িত্ৰীগৰাকীয়ে কৰা কামৰ এখন সূচী প্ৰস্তুত কৰক।

(৩) বিভিন্ন পৰিস্থিতিত শিক্ষক/শিক্ষয়িত্ৰী গৰাকীয়ে ব্যৱহাৰ কৰা সমাধানৰ উপায়সমূহ ব্যাখ্যা কৰক।

(৪) শিক্ষক/শিক্ষয়িত্ৰীগৰাকীৰ নেতৃত্বৰ বিভিন্ন প্ৰক্ৰিয়াবোৰ শ্ৰেণীভুক্ত কৰক।

(৫) এতিয়া শিক্ষকৰ নেতৃত্ব প্ৰদান বুলিলে কি বুজিলে ব্যাখ্যা কৰক।

উপৰোক্ত কামটো এই কাৰণে কৰা দৰকাৰ কিয়নো তেতিয়াহে আপুনি শিক্ষকৰ নেতৃত্ব সম্বন্ধে অনুধাবন কৰিব পাৰিব আৰু ইয়াৰ ধাৰণাবোৰক ব্যৱহাৰিক আৰু বৈচাৰিক দিশত প্ৰাৰম্ভ কৰিব পাৰিব।

**নেতৃত্ববোধৰ সূত্ৰ ঃ**

জীৱনৰ বিভিন্ন দিশৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত নেতৃত্ববোধৰ বিশেষ ভূমিকা আছে বুলি সৰ্বজন বিদিত। যেতিয়াই আমি নেতৃত্বক কথা কওঁ, লগে লগে আমাৰ মনত মহাত্মা গান্ধী, নেতাজী সুভাষ বসু, ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ, আব্ৰাহাম লিংকন আৰু নেলচন মেণ্ডেলা আদি মহান লোকসকলৰ নেতৃত্বৰ কথা মনত পৰে। যদি আপুনি এইসকলৰ কি কি সাদৃশ্য আছে তাক বিচাৰ কৰি চাই তেতিয়া এটাই উত্তৰ পাব 'ভাল নেতৃত্ববান' বুলি। তেন্তে সংক্ষেপে নেতৃত্ববান মানে কিনো?

Warren Bennis (১৯৭৫)ৰ মতে নেতৃত্ব প্ৰদান মানে সেই কামটো য'ত আপুনি নিজকে নিজে ভালকৈ জানিবলৈ দূৰদৰ্শী পৰিকল্পনাটো সুন্দৰকৈ সহজভাৱেৰে সকলোকে বুজাব পাৰিছে, সহকৰ্মীসকলৰ সৈতে সবল বিশ্বাস গঢ়ি তুলিছে আৰু পৰিকল্পনা সাৰ্থক কৰিব পৰাকৈ সফল কাৰ্যপ্ৰণালী ল'ব পাৰিছে আদি। আপোনাৰ অন্তৰ্নিহিত নেতৃত্ব সম্বন্ধে সকলোকে অবগত কৰিব পাৰিছে।'

নেতৃত্ববোধৰ অন্য গভীৰ সূত্ৰও আছে। Alen Keith (২০০৯) কৈছে যে 'নেতৃত্ববোধে এটা সৰ্বশ্ৰেষ্ঠ পথ প্ৰদৰ্শন কৰে যাৰ জৰিয়তে মানুহে এটা অসাধাৰণ কাৰ্য সপল ৰূপায়ণ কৰিব পৰাকৈ উদ্বুদ্ধ কৰিব পাৰে।'

আধুনিক সময়ত (২০০৩) নেতৃত্ব মানে হৈছে 'নেত্ৰী আৰু সহকৰ্মীসকলৰ মাজত এক সক্ৰিয় সম্পৰ্ক আৰু বুজাবুজি প্ৰতিষ্ঠা কৰি সাৰ্বজনীন মহৎ উদ্দেশ্যৰ হেতু এক উচ্চ পৰ্যায়ৰ প্ৰেৰণা আৰু মনোবল কাৰ্যকৰ্তাসকলৰ মাজত সংচাৰ কৰি এনে এক কাৰ্যপন্থা হাতত ল'বলৈ সিদ্ধান্ত কৰাব পাৰে। যিয়ে তেওঁলোকে বিচৰা পৰিবৰ্তন সঁচাসচিকৈ ৰূপায়ণ কৰাব পাৰে।' এই সূত্ৰৰ পৰা নেতৃত্বৰ মুখ্য চাৰিটা দিশ উন্মোচিত হয়। সেইবোৰ ক্ৰমে ঃ সহসম্পৰ্ক, বুজাবুজিৰ প্ৰভাৱ, সাৰ্বজনীন উদ্দেশ্য, সহকৰ্মী। ইয়াত,

- সহসম্পৰ্ক মানে নেতৃত্ব আৰু সহকৰ্মীৰ মাজত থকা ওচৰ সম্পৰ্ক
- বুজাবুজিৰ প্ৰভাৱ হৈছে নেত্ৰীবৰ্গই সংচাৰিত কৰা উদ্দেশ্যৰ প্ৰভাৱ যিটোৱে সহকৰ্মী বা ৰাইজক প্ৰভাৱবিস্তাৰ কৰে



টোকা

- সাৰ্বজনীন উদ্দেশ্য হৈছে যিটোৰ বাবে নেত্ৰীবৃন্দই কাৰ্য কৰিব বিচাৰিছে তাৰ সুফল সকলোৱে লাভ কৰা
- সহকৰ্মীসকল সেইসকল যিসকলে সেই মুখ্য উদ্দেশ্যৰ হেতু কৰা কৰ্মপন্থাত নেত্ৰীবৃন্দক সহায় সহযোগিতা আগবঢ়ায়।

Ken Ogbonnia (২০১১)মতে 'প্ৰভাৱশালী নেতৃত্ব বুলিলে কোনো সামাজিক বা সাংগঠনিক উদ্দেশ্যৰ হেতু সেই অনুষ্ঠানটোৰ ভিতৰৰ বা বাহিৰৰ পৰিৱেশত থকা সাধনবোৰৰ সফল সংযোজন বা সৰ্বোচ্চতম ব্যৱহাৰ কৰি উদ্দেস্যৰ সফল ৰূপায়ণত সমৰ্থবান হোৱাটোৱে বুজায়।' এই সূত্ৰটো তিনিটা অংশ সংযোজনৰ ফলত সেইকেইটা হৈছে ঃ সফল সংযোজন, সাধনৰ সৰ্বোচ্চতম ব্যৱহাৰ, পৰিৱেশ আৰু সাংগঠনিক আৰু সামাজিক লক্ষ্য।

- পৰিৱেশৰ ভিতৰ আৰু বাহিৰৰ মাজত সফল সংযোজনত সমৰ্থবান। ইয়াত বিদ্যালয় আৰু তাৰ চাৰিওকাষে থকা সম্প্ৰদায়ৰ বিষয়ে কোৱা হৈছে।
- বাহিৰ আৰু ভিতৰৰ সাধনসমূহ সংযোজন আৰু সহসম্বন্ধৰ যোগেদি সৰ্বোচ্চতম ব্যৱহাৰ কৰা
- উক্ত দুই কাৰ্যৰ দ্বাৰা সাংগঠনিক আৰু সামাজিক লক্ষ্যত সফল ৰূপায়ণ ঘটোৱা।

Burn (1978) Rost (1991) এ নেতৃত্ব সম্বন্ধে ভাৰতীয়সকলে দিয়া ব্যাখ্যা আৰু বিৱৰণৰ এক সম্যক ধাৰণা দাঙি ধৰে। পুৰণি কালৰে পৰা হিন্দু গুৰুসকলে শিক্ষক আৰু নেত্ৰী হিচাবে শিকাৰু হওক এক বিশেষ শৈক্ষিক প্ৰণালীৰ দ্বাৰা গুৰুসকলৰ বিদ্যা আৰু কাৰ্যপ্ৰণালীৰ জ্ঞানসমূহ অনুশীলনৰ দ্বাৰা শিকাৰুহঁতলৈ স্থানান্তৰ কৰাৰ এক পৰম্পৰা আছিল য'ত হিন্দু গুৰুসকলে শিকাৰুহঁতক আনক সহায়হওক নেতৃত্ব প্ৰদান কৰাৰ পূৰ্বে তেওঁলোকৰ নিজৰ আভ্যন্তৰীণ গুণসমূহ পূৰ্ণ বিকাশ ঘটাব পৰাকৈ মাৰ্গদৰ্শন কৰিছিল।

নিজকে নেতৃত্বৰ উদাহৰণস্বৰূপে থিয় হোৱাৰ ক্ষেত্ৰত তেওঁলোকে অনুভৱ কৰিছিল যে যিসকল শিকাৰু যথাৰ্থতে শিকিবলৈ আহিছে তেওঁলোকে অন্ততঃ গুৰুসকলৰ জ্ঞানসমূহ সম্পূৰ্ণকৈ আয়ত্ব কৰক যাতে সমাজৰ উন্নতিৰ সহায়ক হয়। শিক্ষক বা নেত্ৰী হিচাবে তেওঁলোকে তেওঁলোকৰ জীৱন্ত অনুভূতিসমূহ যথাৰ্থভাৱে শিকাৰুহঁতলৈ সংচাৰণ কৰে (Cenkner, 1977)

সাধাৰণতে নেতাসকল বিশাল পৰিমাণে উৎপাদন কৰিব পৰা প্ৰকৃতিৰ। এনে উপযোগী নেতা এজনে সেই সমাজত থকা মানুহবোৰে তেওঁলোকৰ কামবোৰ যাতে গুণবত্তা বা গাত লাগি সম্ভৱপূৰ্ণ কম খৰচ, সময় আৰু সাধনৰ দ্বাৰা সফল আৰু সকলোতকৈ বেছি প্ৰাপ্য ফলাফল আদায় কৰিব পাৰে তাৰ প্ৰতি সদায় চকু ৰাখে। আটাইতকৈ সফল নেতাজন তেওঁৰ সমাজখনৰ মানুহসকলক উন্নতিৰ ক্ষেত্ৰত আগুৱাই নিয়াত দুয়োপক্ষৰ সফল আলোচনা সম্পাদন কৰাত, সেই পৰিৱেশতে থাকি উৎপাদনৰ মাত্ৰা বঢ়োৱাত, আৰু নিজৰ সদস্য আৰু পৰিৱেশৰ বাবে নিজৰ শুদ্ধ ব্যৱহাৰৰ বাছনি



টোকা

কৰাৰ ক্ষেত্ৰত অতিকৈ পাৰ্গত। স্কুলৰ পৰিৱেশটো শিক্ষকৰ বাবে নেতৃত্ব প্ৰদান আৰু পৰিচালনা পদ্ধতিৰ লগত পোনপটীয়া সম্পৰ্ক আছে য'ত তেওঁ স্কুল আৰু স্কুলৰ চাৰিওকাষৰ সমাজখনৰ মাজত জেন পৰিবাহক হিচাপে কাৰ্যকলাপ ল'ব লাগে। বিদ্যালয় আৰু পৰিৱেশৰ মাজত থকা সুস্থ সম্বন্ধ তেওঁলোকৰ মান্যতা, বিশেষতা, গুণ, কাৰ্যকলাপ আৰু প্ৰাথমিকতা আদি শিক্ষকজনে কিদৰে নিৰূপণ কৰে তাৰ ওপৰত নিৰ্ভৰ কৰে। শিক্ষকজনৰ ব্যৱহাৰ আৰু সমাজখনৰ প্ৰতি থকা আচৰণে বিদ্যালয় আৰু সমাজখনৰ সম্বন্ধত গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰে।

এই অংশৰ আৰম্ভণিতে আমি এজন শিক্ষকক নেতা হিচাবে ধৰি লৈ পাঁচটা প্ৰশ্নৰ ওপৰত কৰা কামৰ ওপৰত আলোকপাত কৰি নেতৃত্বৰ ধাৰণা লৈছিলো। এতিয়া উল্লেখিত সকলোবোৰ নেতৃত্বৰ সূত্ৰ আলোচনা কৰাৰ পাছত নিম্নলিখিত প্ৰশ্নসমূহৰ ওপৰত আলোকপাত কৰক—

(ক) আপোনাৰ চাৰিওকাষৰ পৰিৱেশত থকা এজন সফল শিক্ষক নেতাৰ নাম উল্লেখ কৰক

(খ) বিদ্যালয় আৰু বিদ্যালয়ৰ চাৰিওকাষৰ সমাজখনৰ প্ৰাথমিকতা অনুযায়ী শিক্ষকজনে কিদৰে সকলোকে আগুৱাই লৈ গৈছে উল্লেখ কৰক।

(গ) বিদ্যালয়খনৰ মুখ্য উদ্দেশ্যসমূহত উপনীত হোৱাৰ ক্ষেত্ৰত শিক্ষকজনে বিদ্যালয় আৰু ইয়াৰ কাষৰীয়া সমাজখনৰ মাজত গঢ়ি তোলা সুসম্বন্ধ কিদৰে গঢ়ি তুলিছে উল্লেখ কৰক।

(ঘ) ওপৰৰ (ক)ৰ পৰা (গ) লৈ কৰা আলোচনা মৰ্মে সফল নেতৃত্ব প্ৰদান কৰাৰ ক্ষেত্ৰত কি কি গুণ বা বিশেষতা থাকিব লাগিব তাক অবলোকন কৰক।

উক্ত কাৰ্যখিনি আপুনি সম্পূৰ্ণকৈ কৰা অতিশয় আৱশ্যকীয় কিয়নো তেতিয়াহে আপুনি নেতা হিচাবে আপুনি আৰম্ভণিতে কি বুজিছিল আৰু শেষত তাৰ কিবা পৰিবৰ্তন কৰিবলগীয়া আছে নেকি এই কথাখিনিৰ তুলনা কৰিব পাৰিব। এইটো গোটৰে পিছৰ খণ্ডত নেতৃত্বৰ গুণ আৰু বিশেষতা সম্বন্ধে এক ব্যৱহাৰিক আৰু ধাৰণা প্ৰভূত বিষয় আলোচনা আপোনাসকলৰ মাজলৈ লৈ অনাৰ প্ৰচেষ্টা চলোৱা হ'ব।

## 7.3. নেতৃত্ব আৰু পৰিচালনাৰ সম্পৰ্ক ঃ

নেতৃত্ব সম্বন্ধে জ্ঞাত হোৱাৰ লগে লগে নেতৃত্ব আৰু পৰিচালনাৰ মাজত এটাৰ আনটোৰ সৈতে থকা পাৰ্থক্যসমূহ জানি লোৱাটো একান্তই প্ৰয়োজনীয়। বিদ্যালয় পৰিৱেশত পৰিচালনা আৰু নেতৃত্ব দুয়ো একেলগে কাৰ্য কৰা যেন লাগে। অৱশ্যে ব্যৱহাৰিক দিশৰ পৰা যদি দুয়োটাৰে কামৰ পাৰ্থক্য বিচাৰিবলৈ যাও তেন্তে নিশ্চয়কৈ দুয়োটা এটা অবিচ্ছিন্ন কাৰ্যকৰী প্ৰণালীৰ ইমূৰ-সিমূৰ। প্ৰকৃতিকভাৱে আৰু অত্যাৱশ্যকীয়ভাৱে দুয়ো দুয়োটাৰ পূৰক হিচাবে অৱস্থিতি কৰে। আহক দুয়োটাৰ বিষয়ে বিতংকৈ আলোচনা কৰোঁ।

পৰিকল্পনা, সাংগঠনিক কাৰ্য, সঞ্চালন আৰু শাসন আদিৰ বাবে লোৱা কাৰ্যকলাপবোৰ যিবোৰে বিদ্যালয়কনৰ মুখ্য উদ্দেশ্যবোৰ প্ৰতিষ্ঠাপিত আৰু উপনীত হোৱাত সহায় কৰে সেই সকলোবোৰে পৰিচালনাৰে অন্তৰ্ভুক্ত হয়। এই আটাইবোৰ বিদ্যালয়ৰ মুখ্য উদ্দেশ্যত উপনীত হোৱাৰ ক্ষেত্ৰত লোৱা কাৰ্যপ্ৰণালীক মুখ্য কেন্দ্ৰ হিচাবে লৈ আগবাঢ়ে আৰু কাৰ্যপ্ৰণালীবোৰৰ মাজত সঠিক সমতা ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উদাহৰণস্বৰূপে বিদ্যালয়ৰ প্ৰধান শিক্ষক যাৰ হাতত পৰিচালনাৰ প্ৰধান দায়িত্ব থাকে আৰু তেওঁ সেই কাৰ্যসমূহ অন্য শিক্ষকসকলৰ গুণবত্তা অনুযায়ী বিলাই দি কাৰ্যসমাধা কৰাৰ ক্ষেত্ৰত আগবাঢ়ে। অৰ্থাৎ নিৰ্দেশনা বা দায়িত্ব পূৰ্ণতা তেওঁৰ কামৰ এটা অবিচ্ছেদ্য অংগ।

ইয়াৰ বিপৰীতে নেতৃত্বই বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু শিক্ষকবৃন্দৰ মাজত হোৱা কাৰ্যকলাপবোৰকে বুজাই যিবোৰে বিদ্যালয় পৰিসৰৰ সমাজখনৰ মাজতে আবদ্ধ থাকি শিক্ষকসকলে লোৱা আটাইতকৈ উচ্চখাপৰ নেতৃত্ববোধৰ কাৰ্যপন্থাসমূহ নিশ্চিত কৰে। যেতিয়া পৰিচালক হিচাবে তেওঁলোকে পৰিকল্পনা, সাংগঠনিক আৰু নিৰ্দেশনামূলক কাৰ্য হাতত লয়, তেতিয়া নেত্ৰী হিচাবে কাৰ্যসমূহৰ প্ৰয়োজনীয় সলনিৰ ক্ষেত্ৰত উৎসাহ, প্ৰেৰণা, প্ৰভাৱ পেলাব পৰা কাৰ্যকলাপৰ সহায় লৈ কামত আগবাঢ়ে।

J.P. Kotter (১৯৯২)এ পৰিচালনা আৰু নেতৃত্বৰ মাজত সামঞ্জস্যতা ৰখাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছিল। সংক্ষিপ্ত আকাৰত পৰিচালনা আৰু নেতৃত্বৰ আদৰ্শবান ফলাফলবোৰ দৃষ্টিগোচৰ কৰিবলৈ তেওঁ এটা নমুনা প্ৰস্তুত কৰিছিল।

| **শক্তিশালী পৰিচালনা আৰু শক্তিশালী নেতৃত্ব** | **উপযুক্ত সংগঠন/প্ৰেৰণাপূৰ্ণ আৰু সফল দল** |
|---|---|
| শক্তিশালী পৰিচালনা আৰু দুৰ্বল নেতৃত্ব | শক্তিশালী শাসনপূৰ্ণ যদিও অতি কম উৎসাহপূৰ্ণ |
| শক্তিশালী নেতৃত্ব আৰু দুৰ্বল পৰিচালনা | উদ্যোগী আৰু প্ৰেৰণাপূৰ্ণ কিন্তু সাংগঠনিক দিশটো দুৰ্বল |
| দুৰ্বল পৰিচালনা আৰু দুৰ্বল নেতৃত্ব | অসফল, নিষ্প্ৰাণ আৰু কেতিয়াবা নকৰাত্মক কাৰ্য পৰিৱেশ |

‘আগভাগ’ লোৱাৰ পৰা ‘পৰিচালকলৈ’ সলনি হোৱাটো এটা এজন অনুভৱী আৰু সমৰ্থবান শিক্ষক নেতৃত্বৰ এক প্ৰাকৃতিক প্ৰক্ৰিয়া আৰু ইয়ে এজন সম্পূৰ্ণ পেশাদাৰী প্ৰধান শিক্ষক বা প্ৰিন্সিপাল হিচাবে কাৰ্যৰত হোৱাৰ ক্ষেত্ৰত প্ৰভাৱ পেলাবলৈ সক্ষম হয়।

Williams (২০০৮)এ পৰিচালনা নেতৃত্বক প্ৰক্ৰিয়া দুটা এক অবিচ্ছেদ্য অংশ আৰু এটা আনটোৰ পৰিপূৰ্ণ আৰু ওপৰা-ওপৰি প্ৰকৃতিৰ বুলি প্ৰদৰ্শন কৰে। তলৰ চিত্ৰ পৰিচালনা আৰু আগভাগ লোৱা কাৰ্যকলাপৰ ক্ষেত্ৰত পৰিপূৰক কাৰ্যকলাপৰ ভেদ আৰু প্ৰধান চাৰিত্ৰিক ভূমিকাৰ পাৰ্থক্যগত কাৰ্যবোৰ চিহ্নিত কৰি দেখুওৱা হৈছে।

টোকা

| **মন** | **হাৰ্ট** |
|---|---|
| **পৰিচালনা** | **আগভাগ লোৱা** |
| সংযম | প্ৰেৰণা |
| সমন্বয় | সংঘটন |
| গণনা | জুনুন/উৎসাহ |
| পৰিকল্পনা /নিৰ্দেশনা | গতিক্ৰম আৰু দিশ |
| সংকটৰ পৰিচালনা | সংঘাটৰ মুখামুখি হোৱা |
| সাধনসমূহৰ পৰিচালনা | প্ৰতিভাসম্পন্ন কৰি তোলা |

চিত্ৰ 1ঃ পৰিচালনা-নেতৃত্বৰ অবিচ্ছেদ্যতা

পৰিচালনা আৰু নেতৃত্বৰ পৰিপূৰ্ণ দিশবোৰৰ প্ৰকাৰ আৰু কাৰ্যকলাপবোৰ যদি আমি ওপৰত দিয়া অবিচ্ছেদ্যতা চিত্ৰখনৰ দুয়োটা দিশৰ পৃথক চৰিত্ৰসমূহ বহলাই লিখো তেন্তে তলত দিয়া দৰে চিত্ৰ এখন পাম—

| **পৰিচালনা** | **নেতৃত্ব** |
|---|---|
| মুখ্য উদ্দেশ্য, লক্ষ্য আৰু ফলাফলৰ নিশ্চিত কৰা | আশা, পৰিকল্পনাৰ সম্বন্ধে সঞ্চাৰিত কৰা |
| নীতি আৰু প্ৰক্ৰিয়া ঠিৰাং কৰা | প্ৰশংসাপূৰ্ণ মূল্যবোৰক সমৰ্থন কৰা |
| আকাৰৰ আৰু আলম্বন প্ৰক্ৰিয়াৰ ৰূপ দিয়া | সুস্থ বাতাবৰণৰ সৃষ্টি কৰা |
| কাৰ্যক্ৰম/সময়সীমাত সন্মতি প্ৰদান | আশা আৰু আকাংক্ষাক পূৰ্ণ ৰূপ দিয়া |
| সমলসমূহৰ শ্ৰেণীবদ্ধভাৱে | ডাঙৰ ডাঙৰবোৰত প্ৰজেক্ট সমাজৰ |
| সংগঠনৰ পৰিকল্পনা কৰা | মানুহবোৰক সম্পূৰ্ণ ৰূপে সংযোজন কৰা |
| প্ৰভুত্ব আৰু সীমাৰ নিৰ্দিষ্ট পৰ্যায় ঠিৰাং কৰা | সম্পূৰ্ণ সাফল্যপূৰ্ণ নীতি প্ৰস্তুত কৰা |
| জ্ঞান আৰু সমাচাৰৰ পৰিচালনা | প্ৰতিভাৰ চিনাক্তকৰণ, উন্নয়ন আৰু ব্যৱহাৰ |

J.P. Kotter (১৯৯২)ৰ মতে 'পৰিচালনা অত্যাৱশ্যকীয় কিন্তু নেতৃত্ব অনিবাৰ্য' পৰিচালকসকল কেতিয়াবা নেতৃত্ব প্ৰদানত অকৃতকাৰ্য হয় কাৰণ তেওঁলোকে—

- কাৰিকৰী বা বাণিজ্যিক হিচাবে যিমান পাৰ্গত ভাবনাৰ ক্ষেত্ৰত সিমান পাৰ্গত নহয়।
- সমাজৰ ব্যক্তিসকলৰ মাজৰ সৃজনাত্মক সম্বন্ধ স্থাপনত অপাৰগ
- সমাজৰ ব্যক্তিসকলৰ হাৰ্ট, মনোভাব আৰু শক্তি উচিতভাৱে কামত নলগায় আৰু



টোকা

তেওঁলোকৰ আভ্যন্তৰীণ প্ৰয়োজন আৰু প্ৰসংগসমূহৰ বিষয়ে নিচেই কম অবগত হয়।

- তেওঁলোকৰ মাজত থকা নিজস্বতাখিনি পৰিচালনা কৰাত ব্যৰ্থ হয় যাৰ ফলত সেই সমাজখনৰ মুখ্য উদ্দেশ্যত উপনীত হোৱাত আৰু তাৰ বাবে লোৱা কাৰ্যকলাপবোৰৰ বহুতো নহ'বলগীয়া ঘটনা ঘটে আৰু ৰাজনৈতিক বিবাদাস্পদ বিষয়ৰ উদ্ভাবন হৈ সমাজখন দূষিত হৈ পৰে।
- তেওঁলোকে আশা কৰাৰ দৰে প্ৰয়োজনীয় মানুহ বসবাস আৰু প্ৰতিষ্ঠাপিত কৰোৱাত ব্যৰ্থ হয়। Oliver Goldsmithএ সেয়েহে কৈছে 'আপুনি আপোনাৰ জীৱনৰ আদৰ্শেৰেহে এটা শুদ্ধ উপদেশ মানুহৰ মাজত বিয়পাব পাৰে কেৱল মাত্ৰ জিভাৰে সেই কাম সিমান শুদ্ধৰূপে বিয়পাব নোৱাৰে।

গতিকে এতিয়া আপুনি পৰিচালনা আৰু নেতৃত্বৰ মাজত মুখ্য ব্যৱধানবোৰ নিশ্চয় বিচাৰি পালে। আপোনাৰ নিজেই গাতে লাগি থকা সহকৰ্মী, কাৰ্যাৱস্থা, ছাত্ৰ-ছাত্ৰী আৰু সমাজখনে নেতা এজনক এই কাৰণে অনুসৰণ কৰে কিয়নো তেওঁলোকে সেই কামখিনি মনে প্ৰাণে বিচাৰে এই কাৰণে নহয় যে তেওঁলোকে সেই কাম কৰিবলৈ বাধ্য। নেত্ৰী হিচাবে শিক্ষক এজনৰ আনুষ্ঠানিকভাৱে সমাজখনৰ নেতৃত্ব দিবলৈ কোনো অধিকাৰ নাই কিন্তু সমাজখনে শিক্ষক/শিক্ষয়িত্ৰীগৰাকীয়ে কৰা নিবেদন মৰ্মে আজ্ঞা পালন কৰিবলৈ তেওঁক অধিকাৰ দি গৈছে। সেয়েহে নেতৃত্ব এটা অতি মহত্বপূৰ্ণ সামাজিক মনোবৈজ্ঞানিক অনুষ্ঠান।

## 7.4 নেতৃত্ব প্ৰকাৰ

নেতৃত্বৰ প্ৰকাৰে ৰাইজক পৰিকল্পনা কাৰ্যান্বিত কৰিবলৈ আৰু প্ৰেৰণা দিবলৈ কিদৰে পৰিচালনা কৰিব তাৰ সংকেট দিয়ে। সহজভাষাত ই নেতাজনৰ কাৰ্য আচৰণৰ আভাস দিয়ে। নেতৃত্বৰ প্ৰকাৰ সাধাৰণতে চাৰিবিধ ঃ

(1) নিৰংকুশ (2) অবন্ধ নীতি (3) আৰামতলব (4) লোকতান্ত্ৰিক। চাৰিবিধ কিয়? কিয়নো দেখা গৈছে যে নেতাসকলে যেতিয়া ৰাইজৰ লগত কাৰ্যৰত হৈ মীমাংসাত উপনীত হ'বলৈ আলোচনা কৰে তেতিয়াই উক্ত চাৰিটা প্ৰকাৰৰ যিকোনো এটা প্ৰকাৰৰ অন্তৰ্ভুক্তথাকেই। নিজৰ আচৰণো যদি জুকিয়াই চাই তেন্তে আপুনি নিজকে ইয়াৰ যিকোনো এটা প্ৰকাৰ কাৰ্যকলাপৰ অন্তৰ্ভুক্ত হিচাপে পাব। আহক আমি আটাইকেইটা বিষদভাৱে আলোচনা কৰো।

### 7.4.1 নিৰংকুশ নেতৃত্ব ঃ

নিৰংকুশ নেতৃত্ব বুলিলে কি বুজা তাক আলোচনা কৰাৰ আগতে এটা উদাহৰণৰ দ্বাৰা এই ব্যৱস্থাই কি কি কথাৰ পৃষ্ঠপোষকতা কৰে তাক আলোচনা কৰো আহক—

'সহচৰী শিক্ষক-শিক্ষয়িত্ৰী বৃন্দ, ছাত্ৰ-ছাত্ৰীসকল আৰু সমাজৰ লোকসকলে ভাল কাম কৰিবই লাগিব বুলি ধৰি লোৱা হয়। কিন্তু কঠোৰ নিৰ্দেশনা আৰু আদেশ নহ'লে

টোকা



তেওঁলোকে প্ৰায়ে তেওঁলোকৰ দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰাৰ পৰা বিৰত থাকে। সেয়েহে বিদ্যালয়খনত প্ৰধান শিক্ষক, ক্লাষ্টাৰ, সমল ব্যক্তি, জিলা শিক্ষা বিষয়া আৰু শিক্ষা বিভাগৰ অন্যান্য প্ৰশাসনিক বিষয়াৰ দৰকাৰ হয় যিসকলে বলপূৰ্বকভাৱে নিৰ্দেশনাৰ যোগে তেওঁলোকৰ দায়িত্বসমূহ সোঁৱৰাই দি থাকি কাৰ্যৰত কৰাব পাৰে। এই নেতৃত্ববোধ সম্বন্ধীয় লোকজনে নিজকে সংচালন কৰ্তা হিচাবে ধৰিব পাৰে। শিক্ষাৰ ক্ষেত্ৰটো শৈক্ষিক প্ৰশাসনিক বিষয়া, শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ ওপৰত সঞ্চালকগৰাকীয়ে তেওঁৰ অনুশাসন প্ৰয়োগ কৰাৰ প্ৰয়োজনীয়তা আহি পৰে। নেত্ৰী শিক্ষক আৰু শিক্ষাৰ প্ৰশাসনিক বিষয়াসকলে ক্ষমাবিহীন ভাবে আৰু মুক্তভাৱে সত্য প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেওঁলোকৰ অনুশাসন নিশ্চয়কৈ প্ৰয়োগ কৰাটো প্ৰয়োজনীয়। সহকাৰীসকলে বুজা উচিত যে যদিহে তেওঁলোকে নেতৃত্ব অনুসাৰে কাম কৰে তেন্তে তাৰ বিনিয়ত তেওঁলোক পুৰস্কৃতও হ'ব আৰু বিপৰীত পৰিস্থিতিত কষ্ট বা শাস্তিৰো বিধান আছে। উক্ত উদাহৰণটোৰ পৰা নিৰংকুশ নেতৃত্ব সম্বন্ধে তলত দিয়া ধৰণেৰে ধাৰণা ল'ব পাৰো আৰু তাৰ মুখ্য চৰিত্ৰসমূহ অংকিত কৰিব পাৰো—

নিৰংকুশ নেতৃত্ব হ'ল নেতা বা একাধিপতিজনে সকলোবোৰ সমস্যা সমাধানৰ দায়িত্ব নিজৰ মাজতে বলপূৰ্বকভাৱে সীমাবদ্ধ কৰি ৰাখে। নেতাজনে তেওঁৰ তলতীয়া কৰ্মকৰ্তাসকলৰ কোনো ধৰণৰ উদ্ভাৱনীমূলক কামৰ আগভাগ ল'বলৈ নিদিয়ে। এনেধৰণৰ নেতাসকলে তেওঁলোকৰ কৰ্মচাৰীসকলক তেওঁ কি কৰাটো বিচাৰে, কেনেকৈ কৰাটো বিচাৰে তাকেহে কয় তেওঁলোকৰ উপদেশক কোনো গুৰুত্ব নিদিয়ে তেওঁলোক কঠোৰ অনুশাসন প্ৰিয় প্ৰশংসাই ছাত্ৰ-ছাত্ৰীৰ স্বভাৱ নষ্টহে কৰিব বুলি বিশ্বাস কৰে। এনেধৰণৰ নেতৃত্বক 'কোৱা আৰু কৰা' প্ৰকাৰৰ পৰিচালনাৰ প্ৰতি সংকেত কৰে। ই একক প্ৰচেষ্টাৰ নেতৃত্ব। বিদ্যালয়ৰ মুৰব্বীজনে বিদ্যালয়খন চলাই আৰু তলতীয়া কৰ্মচাৰীৰ পৰা খুব কম উপদেশহে হোৱাতো বিচাৰে। তেওঁলোকে নিজে নিজেই সমস্যাৰ সমাধান বিচাৰি উলিয়াই আৰু অন্যসকলক যিমান পাৰে অতি কম দায়িত্বহে স্বাধীনভাৱে ল'বলৈ দিয়ে। সংযোগো একপক্ষীয় কৈয়ে ৰাখে ঃ তেওঁলোকে ক'ব আৰু বাকীবোৰে শুনিব। নিৰংকুশ নেতৃত্বই কোনো কাৰ্যৰ বাবে লোৱা উপায়ৰ পৰিবৰ্তে তাৰ পৰিণামৰ ওপৰতহে বেছি মহত্ব প্ৰদান কৰে। পৰিণামৰ প্ৰক্ৰিয়া আৰু তাৰ লগত সাঙোৰ খাই থকা ব্যক্তিসকলক উলংঘা কৰি কেবল ফলাফলকহে মহত্ব দিয়ে।

এনেধৰণৰ নেতৃত্বই তলতীয়া কৰ্মচাৰী আৰু কাৰ্যকৰ্তা সকলৰ কাৰ্যক্ষমতা উন্নয়নৰ ক্ষেত্ৰত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। সঘনে চলি থকা কঠোৰ নিৰ্দেশনা আৰু শাস্তিমূলক ব্যৱস্থাই তেওঁলোকৰ কাৰ্যক্ষমতা হ্ৰাস হোৱাতহে সহায়ক হয়।

অৱশ্যে নিৰংকুশ নেতৃত্বই কেতিয়াবা অতি সোনকালে সিদ্ধান্ত লোৱাত সহায়ক হয় কিয়নো বিদ্যালয়ৰ সকলো কথাৰে সিদ্ধান্ত এজন মানুহৰ ওপৰত ন্যস্ত থাকে যেতিয়ালৈকে সেই নিৰ্দিষ্ট মানুহজনে নিজে নিজে পৰিঘটনাবোৰ অন্য ব্যক্তিসকলৰ লগত আলোচনা মৰ্মে সিদ্ধান্ত ল'বলৈ প্ৰয়োজনীয়তা অনুভৱ নকৰে। এইটো স্বীকাৰ্য যে প্ৰভুত্বধাৰী নেত্ৰী এজনে অপ্ৰীতিকৰ ভাষা প্ৰয়োগ, আলোচনাৰ মাজত হুলস্থুল, ব্যংগাত্মক



টোকা

ব্যৱহাৰ, ক্ষমতাৰ অপপ্ৰয়োগ কৰা ব্যক্তিক কেতিয়াও গোটত অন্তৰ্ভুক্ত নকৰে। কিয়নো এনে কৰিলে নেত্ৰীগৰাকীৰ কাৰ্যকলাপবোৰ নিন্দাপূৰ্ণ, আৰু তেওঁ এজন অদক্ষ নেতা বুলি পৰিগণিত হ'ব যিয়ে কোনো সুস্পষ্ট বা স্থিৰ নকৰাকৈয়ে কাৰ্যকলাপ চলাই যায়।

## 7.4.2. আবদ্ধ নীতি ঃ

এজন আবদ্ধ নীতিপ্ৰধান নেত্ৰীক তলৰ উদাহৰণটোৰ দ্বাৰা ব্যাখ্যা কৰিব পাৰো।

বিদ্যালয়ৰ পৰিচালনাৰ ক্ষেত্ৰত বিভিন্ন পৰ্যায়ত বহুসকল ব্যক্তি থকা বাবে তেওঁলোকৰ সমাধা কৰিব পাৰিম বুলি ভবা কাৰ্যকলাপৰ ধাৰণাও অধিক থাকে। মই মোৰ কাৰ্যক্ষমতাৰ সীমা জানো। মই জানো মই মোক অনুসৰণ কৰা শিক্ষক শিক্ষয়িত্ৰী-ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ সদস্যসকলক অনুপ্ৰাণিত কৰিব পৰাকৈ সমৰ্থবান নহয়। সঁচা কথা ক'বলৈ হ'লে সমাজখনৰ ব্যক্তিসকলে তেঁলোকৰ নিজৰ পথ নিজে বাচি লয়। কিছুমানে ভালকৈ কাম কৰে আৰু কিছুমানে নকৰে। শিক্ষক নেত্ৰী হিচাপে মই ইয়াত বেছি একো কৰিব নোৱাৰো। মোৰ কাম হৈছে মোৰ বৰ্তমান সামাজিক স্থিতি অক্ষুণ্ণ ৰখা আৰু সমাজখনৰ ব্যক্তি বিলাকে যাতে স্কুলখনত কোনো হুলস্থুলীয়া পৰিৱেশ সৃষ্টি কৰিব নোৱাৰে তাৰ প্ৰতি চকু দিয়া। স্কুলখনে দুৰ্ঘটনাবিহীনভাৱে সুন্দৰকৈ চলি থাকে। নিজকে বচাই ৰাখিবলৈ শান্ত প্ৰকৃতিৰ হৈ থাকিব লাগিব। ৰঙীণ মেজাজৰ শৈক্ষিক পৰিচালক সকল আহিব আৰু যাব, কিন্তু যিয়ে শান্ত প্ৰকৃতিৰ হৈ থাকিব পাৰে তেওঁ বহু বছৰলৈ তিষ্ঠি থাকিব পাৰে।

উক্ত ব্যাখ্যাৰ পৰা আবদ্ধ নীতি সম্বন্ধে কি কি ধাৰণা হ'ল আৰু ইয়াৰ বৈশিষ্ট্যসমূহ তলত আলোচনা কৰো আহক ঃ

এজন আবদ্ধনীতি অনুসৰণ কৰা নেত্ৰীয়ে তেওঁৰ তলত কাম কৰা সকলো কৰ্মচাৰীকে তেওঁলোকৰ কাৰ্যসম্বন্ধে ল'বলগীয়া সিদ্ধান্তসমূহ নিজকে ল'বলৈ দিয়ে। তেওঁলোকক কাগজী কাৰ্যকলাপৰ মাজত ব্যস্ত কৰি ৰাখে যাতে তেওঁক দলৰ সদস্যসকলৰ পৰা আঁতৰত ৰাখিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলক বা তেওঁৰ ষ্টাফক বিদ্যালয়ৰ পৰিৱেশ নষ্ট কৰাৰ পৰা বিৰত ৰাখিব পৰাটোৱে তেওঁৰ প্ৰধান কৰ্তব্য বুলি ভাবে। নেতাজন তেওঁৰ সমাজৰ ব্যক্তিসকলৰ প্ৰতি নিৰাশাবাদী। ইয়াৰ পৰা ইয়াকে বুজা যায় যে ঃ 'তুমি যিহেতু মানুহবিলাকৰ কাৰ্যকলাপৰ প্ৰক্ৰিয়াটো সলনি কৰিব নোৱাৰা, তেন্তে প্ৰচেষ্টা লোৱাৰ যুক্তি কি?' নেতাজন পৰিবৰ্তনৰ হোটা নহয় বৰঞ্চ তেওঁৰ বিভাগটোৰ চম্ভালাৰ ক্ষেত্ৰতহে মনোনিৱেশ কৰে আৰু নিজকে সুৰক্ষিত ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। নেত্ৰী শিক্ষকজনে তেওঁৰ ওপৰৰ কাৰ্যকৰ্তাসকলৰ সিদ্ধান্তসমূহ মাত্ৰ তলতীয়া কৰ্মচাৰীসকললৈ প্ৰেৰণ কৰিয়ে সন্তুষ্ট থাকে, নিজাববীয়াকৈ কোনো সিদ্ধান্ত লোৱাৰ পৰা বিৰত থাকে। এনেধৰণৰ নেতাই সিদ্দান্ত লোৱাৰ ক্ষেত্ৰত সদায় বিলম্ব কৰে। তেওঁলোকৰ মতে সিদ্ধান্ত লোৱাতকৈ সিদ্ধান্ত নোলোৱাটোৱে বেছি সুৰক্ষিত। এনে নেত্ৰীয়ে পুৰণীকলীয়া নীতি বিলাকে চলি থকাটো বিচাৰে, সঠিক পঠেৰে চেষ্টা কৰি কাম কৰাটো বিচাৰে, কাৰণ এই পথ, নতুনকৈ উদ্ভাৱন কৰা বা পৰীক্ষামূলক প্ৰচেষ্টা হাতত লোৱাতকৈ



টোকা

বেছি সুৰক্ষিত পথ। এনেধৰণ শিক্ষক নেতাই যদিও তেওঁৰ যোগ্যতা থাকে তথাপিও বিপত্তিৰ আংশকাত একো প্ৰচেষ্টা কৰিব নিবিচাৰে।

পৰিস্থিতি বুজি কি আৰু কেনেকৈ কাৰ্যকলাপ ল'ব পাৰিব তাৰ বিশ্লেষণ কৰিব পৰা কৰ্মচাৰীসকলৰ ক্ষেত্ৰতহে এনেধৰণৰ নেতৃত্বৰ প্ৰকাৰ প্ৰয়োগ কৰিব পৰা যায়।

## 7.4.3. আৰামতলব নেতৃত্ব ঃ

তলত দিয়া উদাহৰণৰ দ্বাৰা আৰামত ল'ব নেতা এজনে কিদৰে তেওঁৰ নেতৃত্বৰ ভূমিকা লয় জানো আহক—

'বিদ্যালয়ৰ উৎপাদন ক্ষমতা আৰু নৈতিকতাৰ মাজত এক বলিষ্ঠ সহ সম্বন্ধ আছে উচ্চ পৰ্যায়ৰ নৈতিকতা বজাই ৰাখিব পাৰিলেই উৎপাদন ক্ষমতাও বাঢ়ি যাব কিয়নো নৈতিকতাৰ মাজতে উৎপাদন ক্ষমতাৰ বৃদ্ধি ক্ষমতা লুকাই থাকে। যিহেতু শিক্ষাৰ প্ৰসাৰতা প্ৰাকৃতিকভাৱে বাঢ়ি আৰু জটিল হৈ আহি আছে গতিকে প্ৰক্ৰিয়াটো বেছি অধিকাৰীতান্ত্ৰিক হোৱাৰ অভিমুখে গতি কৰিছে। এনে পৰিস্থিতিত সমাজৰ ব্যক্তিসকলক অবজ্ঞা কৰাৰ ভয় থাকে। এই ক্ষেত্ৰত স্নেহ, সৌহাদ্য, আত্মীয়তা, বন্ধুত্ব আৰু বুজাবুজিৰ মাজেৰে ছাত্ৰ-ছাত্ৰী, শিক্ষক/শিক্ষয়িত্ৰী আৰু সমাজৰ সদস্যসকলৰ মনোবল এইদৰে বঢ়োৱাৰ প্ৰচেষ্টা কৰিব লাগিব যাতে তেওঁলোকেও বুজি পায় যে আমি আটায়ে মানুহ আৰু মানুহ মাত্ৰেই ভুল হয়েই। সেয়েহে শিক্ষক হিচাবে মোৰ নেতৃত্বত স্নেহ, বন্ধু ভাব, সহনশীলতা আৰু সংবেদনশীলতা ভাব থকাটো আটাইতকৈ দৰকাৰী কথা। সদস্যসকলক আঁতৰাই ৰাখি বা অবজ্ঞা কৰি আমি একো সমাধা কৰিব নোৱাৰো। বৰঞ্চ মই তেওঁলোকৰ মাজৰে এজন বুলি পৰিচিত হৈ তেওঁলোকক সুখী আৰু প্ৰতীয়মান কৰোৱাটোতহে বেছি বিশ্বাস কৰো।'

ওপৰৰ বক্তব্যৰ পৰা আৰামতলব নেতৃত্ব সম্বন্ধে আমি তলত দিয়া ধাৰণা আৰু দৃষ্টিকোণসমূহ ল'ব পাৰো।

আৰামতলব নেতৃত্ব এক বন্ধনমুক্ত আৰু অসংগঠিত প্ৰক্ৰিয়াৰ দ্বাৰা পৰিচালিত হয়। ইয়াত প্ৰক্ৰিয়া, নীতিনিয়ম, বাধ্যবাধকতা আৰু প্ৰণালী আদি কথাবোৰৰ ব্যৱহাৰ অতি কম পৰিমাণে হয়। ইয়াৰ দৰ্শন মৰ্মে যদি বিদ্যালয় পৰিসৰৰ সদস্যসকল নিশ্চিন্ত, সুখী আৰু সন্তুষ্ট হয় তেন্তে বিদ্যালয় আৰু ইয়াৰ সমাজখনৰ কামবোৰ অসাংগঠনিক প্ৰক্ৰিয়াৰ দ্বাৰাও সমাপ্ত কৰিব পাৰি। নেতাজনৰ আটাইতকৈ ডাঙৰ লক্ষ্য হৈছে তেওঁ যাতে বন্ধুত্বপূৰ্ণ, সহনশীল আৰু কৰ্তব্য পৰায়ণতা ভাব জগাই কাম কৰিব পাৰে। যদি এজন ছাত্ৰ-ছাত্ৰী বা সমাজৰ ব্যক্তিয়ে কিবা ভুল কৰে তেন্তে নেতা শিক্ষকজনে কথাটো বেছি গুৰুত্ব দিয়া যেন নেদেখুৱাই শুদ্ধ পথলৈ আনিব লাগে। এই ধৰণৰ নেতৃত্ব এক উদাৰ প্ৰকৃতিৰ নেতৃত্বক ইয়াত সদস্যসকল সুখী হোৱাটোত আৰু যেতিয়ালৈকে তেওঁলোকে পাৰে তেওঁলোকৰ নিজৰ প্ৰক্ৰিয়াত কাম কৰি যাবলৈ দিয়াৰ ওপৰতহে বেছি গুৰুত্ব দিয়ে। এনেধৰণৰ নেতৃত্বত ধনাত্মক দিশৰ প্ৰতিষ্ঠিতিৰ বাবে লোৱা অতিৰিক্ত



টোকা

কাৰ্যকলাপৰ পৰা অতি সহজে বিৰত থকাৰ বাবে মান্তি হয়, আনকি অসন্তুষ্টিজনক কাৰ্যকলাপখিনিৰ ওপৰত কথা পাতি আলোচনা কৰাৰ পৰাও বিৰত থাকে। এই ক্ষেত্ৰত নেতাজনে ব্যক্তিসকলৰ পোনপটীয়া সম্বন্ধৰ ওপৰতহে জোৰ দিয়ে। এওঁলোকে তেওঁৰ কামত নহা কিছুমান সমস্যাৰ ওপৰত আলোচনা কৰিয়ে সময় অতিবাহিত কৰে। ৰাজনৈতিক, খেল-ধেমালি, নান্দনিক, সামাজিক আৰু সাধাৰণ কিছুমান কথাৰ ওপৰত প্ৰলাপ কৰিয়ে তেওঁলোকৰ বেছিখিনি সময় অধিকাৰ কৰি থয়।

অতি সহজতে পুৰস্কৃত কৰা আৰু প্ৰলাপত আনুপাতিকভাৱে বেছি সময় খৰচ কৰাৰ ব্যৱস্থাটোৱে সাধাৰণতে ছাত্ৰ-ছাত্ৰী, তলতীয়া শিক্ষক/শিক্ষয়িত্ৰী আৰু সমাজখনৰ সদস্যসকলক এক ভ্ৰান্ত ধাৰণালৈ লৈ যায়। তেওঁলোক সৃজনীমূলক কাম আৰু অসৃজনীমূলক কামৰ মাজত পাৰ্থক্য কৰাও অসমৰ্থ হৈ পৰে। ফলত প্ৰয়োজনীয় উন্নয়ন ব্যৱহাৰ যতি পৰে কেতিয়াবা কেতিয়াবা ইয়াক দমন কৰি ৰখাও দেখা যায়।

## 7.4.4 গণতান্ত্ৰিক নেতৃত্ব ঃ

গণতান্ত্ৰিক নেতৃত্বত বিশ্বাস ৰখা নেতা এজনৰ বক্তব্য শুনো আহক আৰু তাৰ আধাৰত ইয়াৰ ওপৰত মনোভাৱ সুস্পষ্ট কৰাত সুবিধা হ'ব -

'গণতান্ত্ৰিক নেতৃত্বৰ যোগেদিহে মই মোৰ ছাত্ৰ-ছাত্ৰী, তলৰ কৰ্মচাৰী, সহ শিক্ষক /শিক্ষয়িত্ৰী, বিদ্যালয়ৰ গাতে লগা সমাজখন আনকি মোৰ নিজৰো কামকাজবোৰ সফল ৰূপায়ণ কৰিব পাৰিম। তেওঁলোকে দৰাচলতে কিহত পাৰ্গত আৰু তেওঁলোকৰ কামকাজবোৰত কি কি ভাল কাম সন্নিবিষ্ট কৰি উন্নয়নৰ ব্যৱস্থাত হাত আগবঢ়াব পাৰে তাকে তেওঁলোকৰ কৰিব দিয়াৰ ওপৰত গুৰুত্ব দিয়া উচিত। এই ক্ষেত্ৰত মই তেওঁলোকৰ প্ৰয়োজনীয় জ্ঞান, কৌশল আৰু মনোভাব উন্নয়নৰ ক্ষেত্ৰত সদায় সহযোগিতা আগবঢ়াও। মই সদায়ে মোৰ কাৰ্যকলাপবোৰ শক্তিশালী কৰিবলৈ ছাত্ৰ-ছাত্ৰী, সহকৰ্মী, সহ শিক্ষক-শিক্ষয়িত্ৰী আৰু বিদ্যালয় সমাজৰ সদস্যসকলক সমলব্যক্তি হিচাবে লৈ আগবাঢ়ো। মই মোৰ কামত অগ্ৰসৰ হ'বলৈ এওঁলোকৰ পৰা যথেষ্ট সহায় সহযোগিতা বিচাৰো। তেওঁলোকৰ ধাৰণা, ক্ষমতা আৰু অভিজ্ঞতাখিনি মোৰ পৰিপূৰক হিচাবে ব্যৱহাৰ কৰিব পাৰো। কেতিয়াবা কেতিয়াবা মই একক হিচাবে কাম কৰিবলগীয়াত পৰো কিন্তু এইটোৱে ইয়াকে নুবুজাই যে মই একেবাৰে তেওঁলোকৰ পৰা পৃথক হৈ পৰিছো। প্ৰায়ে মই প্ৰয়োজন সাপেক্ষে তেওঁলোকৰ পৰা দিহা পৰামৰ্শ লৈ সেই দিশেৰে কাম আগুৱাই দিব বিচাৰো। মই সকলোকে বিশিষ্ট ব্যক্তি হিচাবে জ্ঞান কৰোঁ। প্ৰাথমিক শিক্ষা সমাজৰ সকলোৱে লাভ কৰোৱা প্ৰচেষ্টাত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, সহকৰ্মী আৰু তাৰ সমাজখনৰ সদস্যসকলৰ ভূমিকা অবিহনে মই কৃতকাৰ্য হ'ব নোৱাৰো এই কথা মই স্বীকাৰ কৰো। ইয়াৰ দ্বাৰা মোৰ নিজৰ কাৰ্যকলাপ উত্তৰণ ঘটে, বিদ্যালয় আৰু সমাজখনৰ যুটীয়া অংশগ্ৰহণে দুয়োকে সমৃদ্ধিবান কৰে।'

উক্ত বক্তব্যৰ পৰা আমি গণতান্ত্ৰিক নেতৃত্ব সম্বন্ধে বহুটো মুখ্য ভূমিকা সম্বন্ধে জ্ঞাত



টোকা

হ'ব পাৰো। তলত তাৰ আলোচনা আগবঢ়োৱা হ'ল—

## 7.5 নেতৃত্বৰ কাৰ্য ঃ

বিদ্যালয়ৰ সুস্থ বাতাবৰণৰ ক্ষেত্ৰত বিদ্যালয় আৰু বিদ্যালয়ৰ কাষৰ সমাজৰ সুসম্বন্ধই যথেষ্ট অৰিহণা যোগাই এই কথা সৰ্বজন স্বীকৃত আৰু এই ক্ষেত্ৰত শিক্ষকজনৰ নেতৃত্বইহে এই কাম অৰ্থপূৰ্ণভাৱে বৰঙণি যোগাব পাৰে। শিক্ষকজনৰ তেওঁৰ ছাত্ৰ-ছাত্ৰী, সহ-শিক্ষক আৰু সেই বিদ্যালয়ৰ সমাজখনৰ পৰা যথেষ্টখিনি আশা কৰে। এই ক্ষেত্ৰত শিক্ষকজনে এই জটিল পৰিস্থিতিটো হৃদয়ংগম কৰি কাৰ্য কৰিব লাগে। এজন শিক্ষকে কি প্ৰক্ৰিয়াৰে কাম কৰিব সেইটো বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, অনুগামী শিক্ষক-শিক্ষয়িত্ৰী, শৈক্ষিক প্ৰশাসনিক বিষয়া আৰু সেই সমাজখনৰ আশা আকাংক্ষাবোৰৰ দ্বাৰা নিৰ্ধাৰিত হয়। আহকচোন আমি নেত্ৰী হিচাবে শিক্ষক-শিক্ষয়িত্ৰী এজনৰ কাৰ্যকলাপবোৰ আলোচনা কৰো।

বিদ্যালয় আৰু বিদ্যালয় পৰিসৰৰ সমাজখনৰ মাজত থকা সম্বন্ধ আৰু এক নতুন পদ্ধতিৰ দ্বাৰা কাম কৰিব বুলি লোৱা ধাৰণা আদি কিছু জটিল পদ্ধতিৰ দ্বাৰা লাভ কৰা শিক্ষা আৰু প্ৰভাৱে এজন শিক্ষকক নেত্ৰী শিক্ষক হিচাবে পৰিগণিত কৰোৱাত অৰিহণা যোগায়। বিদ্যালয় এখনৰ নেতৃত্বৰ কাৰ্যকলাপ ক্ষেত্ৰত কৰা গৱেষণাৰ ব্যাখ্যা কৰি Leithwood আৰু Duke (1999)এ তলৰ বিভিন্ন দিশ কেইটা চিনাক্ত কৰা এজন নেতাৰ কাম হিচাবে গণ্য কৰে—

- নিৰ্দেশনাত্মক (নিজৰ শৈক্ষিক অৰ্হতা বঢ়োৱা আৰু সহ শিক্ষকসকলৰ এনেদৰে সহায় কৰক যাতে তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ উন্নয়নত সহায়ক হয়)
- ৰূপান্তৰমূলক (Transfermational) (যোগ্যতা আৰু বচনবদ্ধতা দুয়ো ক্ষেত্ৰতে বিদ্যালয়ৰ আৰু অন্যান্যসকলৰ দক্ষতা বঢ়োৱা)
- নীচিবাচক (ভুল নে শুদ্ধৰ ক্ষেত্ৰত নিজৰ শুদ্ধ বিবেচনাৰ দ্বাৰা আনক উদ্বুদ্ধ কৰা)
- অংশগ্ৰহণৰ ক্ষেত্ৰত (বিদ্যালয়ৰ বিভিন্ন কামত বিদ্যালয়ৰ সৈতে জড়িত সমাজখনৰ সদস্যসকলকো উপযুক্তভাৱে শৈক্ষিক ক্ষেত্ৰত অংশগ্ৰহণ কৰোৱা।
- নিৰ্ভৰশীলতা (পৰিস্থিতিৰ লগত খাপ খুওৱাকৈ তেওঁলোকৰ আচৰণৰ উন্নয়ন ঘটোৱা)।

## 7.5.1 নিৰ্দেশনাত্মক কাৰ্যকলাপ ঃ

প্ৰধান শিক্ষক/শিক্ষয়িত্ৰীগৰাকীক সকলোৱে শৈক্ষিক বিষয়ৰ পাৰদৰ্শী উৎস হিচাবে প্ৰতিপন্ন কৰে। তেওঁলোকৰ সকলোবোৰ কাৰ্যই শিক্ষণ শিকনৰ পৰিচালনা কৰাৰ গণতান্ত্ৰিক ক্ষেত্ৰত পোনপটীয়াকৈ জড়িত থাকে। বিদ্যালয়খনৰ শিক্ষকসকলক আৰু অংশগ্ৰহণকাৰী হিচাবে গঢ়ি তুলিবলৈ তেওঁলোকৰ শিক্ষণ কাৰ্য শক্তিশালী কৰি তুলিব লাগিব। এনে ধৰণৰকৈ প্ৰস্তুত কৰি শিক্ষক সমাজক বিদ্যালয় আৰু সমাজখনৰ পৰিচালনাৰ ক্ষেত্ৰত, যেনে পাঠ্যক্ৰম আৰু সহপাঠ্যক্ৰমিক কাৰ্যকলাপ, বাজেট সম্বন্ধীয়



টোকা

কাৰ্যকলাপ আদিতো সহায় কৰিব পৰা হয়।

বিদ্যালয় এখনৰ সম্পূৰ্ণ বিকাশৰ ক্ষেত্ৰত প্ৰধান শিক্ষকজনেই সকলোবোৰ সমস্যা সমাধান বা কাৰ্যকলাপ কৰিব লাগিব এনে নহয়। যিসকল শিক্ষকক যোগ্যতা সম্পন্ন কৰি গঢ়ি তুলিছে তেওঁলোককো নেতৃত্বভাৰ ল'বলৈ দিব লাগে। বিদ্যালয়ৰ নেতৃত্ব সকলোৰে মিলি বহন কৰা উচিত।

## 7.5.2. ৰূপান্তৰ মূলক কাৰ্যকলাপ ঃ

ৰূপান্তৰমূলক কাৰ্যকলাপ সালসলনিৰ ক্ষেত্ৰত প্ৰযোজ্য সেয়েহে এই ক্ষেত্ৰত শিক্ষকসকলে বহুতো সালসলনিযুক্ত কাৰ্যকলাপ হাতত ল'ব বুলি কল্পনা কৰা হয়। শিক্ষকসকলে বিদ্যালয়ৰ পৰিসৰত আৰু সমাজৰ সদস্যসকলে একেলগ হৈ বিদ্যালয়ৰ লগতে সমাজখনৰ উন্নয়নৰ হকে কাৰ্যপন্থা হাতত লয়।

কি কি কাৰকৰ দ্বাৰা এই সলনিবোৰ ঘটাব পাৰি? Leithwood, et. al (1999) তলৰ কাৰকবোৰ উল্লেখ কৰিছে।

- আনক উৎসাহিত কৰিব পৰা ক্ষমতা
- আনক আগ্ৰহান্বিত কৰিব পৰা ক্ষমতা
- নিজৰ ইচ্ছাৰ উপৰিও আনৰ ইচ্ছাৰ হকে কাম কৰিব পৰা ক্ষমতা
- বিদ্যালয়ৰ উন্নয়নৰ ক্ষেত্ৰত অন্যলোকৰ পৰামৰ্শ গ্ৰহণৰ ক্ষমতা

নেত্ৰী হিচাপে শিক্ষকজনৰ উপৰোক্ত গুণসমূহ থকা দৰকাৰ যাতে তেওঁ তেওঁৰ সহকৰ্মী আৰু সমাজখনৰ সদস্যৰ সহায়ত বিদ্যালয় আৰু সমাজখনৰ ৰূপান্তৰৰ ক্ষেত্ৰত কাৰ্যকলাপ হাতত ল'ব পাৰে।

## 7.5.3 নীতিবাচক কাৰ্যকলাপ ঃ

মূল্যবোধৰ সমবিতৰণ এই কাৰ্যকলাপৰ মূল কথা। নেত্ৰী শিক্ষকজনে ছাত্ৰ-ছাত্ৰীৰ বংশ বা সামৰ্থ্য নিৰ্বিশেষে আৰু সহকৰ্মীসকলকো কাৰ্যক্ষেত্ৰত সমভাবে ব্যৱহাৰ কৰে। নেত্ৰী শিক্ষকজন আচৰণৰ ক্ষেত্ৰত সকলোৰে বাবে চানেকি হয়। তেওঁৰ আচৰণে বিদ্যালয়ৰ পৰিসৰ আৰু সমাজৰ সদস্যসকলৰ মাজত বাঞ্চনীয় ফলাফল দিয়ে। এনে শিক্ষকে ষ্টাফৰ সকলো পৰ্যায়ৰ কৰ্মকৰ্তাৰ মাজত অনুকৰণীয় দৃষ্টান্ত ডাঙি ধৰে আৰু তেওঁলোক বিদ্যালয়ৰ পদবী অনুক্ৰমে কাম সমাধা কৰাৰ ক্ষেত্ৰত কঠোৰ পৰিশ্ৰম আৰু দায়িত্ববোধ জগাই তোলে। তেওঁলোকে তেওঁলোকৰ লগত কাম কৰা সকলোকে, যেনে - প্ৰশাসনিক বিষয়া, শিক্ষক সহকৰ্মী, সহায়ক সহকৰ্মী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক, বিদ্যালয় পৰিচালনাৰ সদস্য, সমাজৰ সদস্য বা অভ্যাগত সকলোকে অনুপ্ৰাণিত কৰে।

## 7.5.4. অংশগ্ৰহণকাৰী কাৰ্যকলাপ ঃ

সমাজখন সহযোগী হিচাবে প্ৰস্তুত কৰা প্ৰচেষ্টাই শিক্ষকজনৰ অৰ্হতা উন্নয়ন ঘটাত সহায়ক হয়। বিদ্যালয় সমাজৰ সদস্যৰ সহযোগত সমাজখনৰ শিকনৰ উন্নয়ন ঘটোৱা



টোকা

নেত্ৰী শিক্ষক এক প্ৰধান কৰ্তব্য। শিক্ষক জ্ঞান সমাজখনৰ শুধৰণিৰ মূল হোতা হিচাবে প্ৰদৰ্শন কৰিব পৰা যায়। নেত্ৰী শিক্ষক/শিক্ষয়িত্ৰী এগৰাকীয়ে তেওঁৰ সহশিক্ষক বা সমাজৰ সদস্যসকলক তেওঁলোকৰ দায়িত্ব সম্বন্ধে জ্ঞান দানৰ ক্ষেত্ৰত বিশিষ্ট অৰ্হতা সম্পন্ন ব্যক্তিক সঠিক অৰ্হতাৰ দায়িত্ব প্ৰদানেৰে তেওঁলোক আগুৱাই লৈ যায়।

## 7.5.5. নিৰ্ভৰশীলতামূলক কাৰ্যকলাপ

সমাজৰ আৰ্থিক পৰিবৰ্তন আৰু এই ক্ষেত্ৰত লোৱা নীতি নিৰ্ধাৰণৰ পৰিবৰ্তনৰ লগে লগে বিদ্যালয়ৰ কামকাজ আৰু ভূমিকা অবিৰতভাৱে সলনি হৈ গৈ থাকে। এনে ক্ষেত্ৰত শিক্ষকজনে অবকাশ, বিৰাম আৰু কাৰ্য সম্পাদনা অতি কম সময়ৰ ভিতৰতে সমাধা কৰিবলগীয়া হয়। প্ৰয়োজনীয় দায়িত্ববোৰ যেনে - শ্ৰেণীকোঠাৰ কামবোৰ, ছাত্ৰ-ছাত্ৰীৰ বাবে শিকনৰ মানদণ্ড উন্নয়নকৰণ আৰু শৈক্ষিক উত্থান, বিদ্যালয়ৰ সমস্যা আৰু কাৰিকৰী সংবাদ, শিকন প্ৰক্ৰিয়াৰ পৰিচালনা প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হৈ তাক বিদ্যালয় পৰিসৰতে সমাধা কৰা, অভিভাৱক আৰু বিদ্যালয়ৰ কাষৰ সমাজৰ ব্যক্তিসকলৰ লগত অৰ্থপূৰ্ণ ব্যক্তিগত সম্পৰ্ক গঠন ইত্যাদি নেত্ৰী শিক্ষকজনক নতুন নতুন ধাৰণা আহৰণ কৰা আৰু কাম সমাধা কৰাত অনুকূল পৰিৱেশৰ সৃষ্টি কৰাই নেতা শিক্ষকগৰাকীয়ে শিক্ষক সমাজে ল'ব লগা প্ৰত্যাহ্বান মূলক কাম কাজ বা আশা আকাংক্ষাবোৰ বিশিষ্টভাৱে চিহ্নিত কৰি তাৰ ওপৰত কাৰ্যকলাপ কৰি যাব লাগে।

## 7.6 সাৰাংশ ঃ

আমি এই পাঠগোটত নেতৃত্ববোধৰ ধাৰণা, পৰিচালনা, নেতৃত্বৰ প্ৰকাৰ, নেতৃত্বৰ কামকাজ সম্বন্ধে আলোচনা কৰিলো। ইয়ে নিশ্চয় আপোনাক বিভিন্ন পৰিৱেশৰ নেতৃত্ববোধ আৰু পৰিচালনাৰ পাৰ্থক্য বিচাৰি লোৱাত সহায় কৰিছে। নেতৃত্ববোদৰ বিভিন্ন প্ৰকাৰে আপোনাক বিদ্যালয় পৰিসৰত বিভিন্ন প্ৰকাৰে নেতৃত্ব দানত সহায় কৰিব। বিভিন্ন নেত্ৰীবোধক কাৰ্যৰ জ্ঞানে আপোনাক বিদ্যালয় প্ৰণালীত এক অভিজ্ঞ নেতৃত্ব প্ৰদানেৰে বিদ্যালয়ত এটা নেতৃত্বসুলভ আচৰণৰ প্ৰাৰম্ভণত সুবিধা প্ৰদান কৰিব।

তলত উক্ত আলোচনাৰ ফলত আপুনি লাভ কৰা নেতৃত্বমূলক গুণবোৰ উল্লেখ কৰা হ'ল —

- নেতৃত্ববোধে এজন নেত্ৰীৰ ব্যক্তিগত সামৰ্থ্যক কেন্দ্ৰবিন্দু হিচাবে লৈ কাৰ্য কৰাকে বুজায়। নেতৃত্ববোধে গতিশীল সম্পৰ্ক, পৰস্পৰৰ প্ৰভাৱ সাৰ্বজনিক উদ্দেশ্যৰ হকে নেত্ৰী আৰু সহযোগীসকলে একগোট হৈ একেই অভিৰোচনৰ দ্বাৰা উদ্বুদ্ধ হৈ এক প্ৰকৃত আৰু ইচ্ছাপূৰ্ণ পৰিবৰ্তন নিৰূপণ কৰে। নেত্ৰীশিক্ষক/শিক্ষয়িত্ৰীৰ কাৰ্যকলাপ আৰু আচৰণে বিদ্যালয় আৰু সমাজৰ মাজৰ সম্পৰ্কত এক উল্লেখযোগ্য ভূমিকা লয় আৰু প্ৰভাৱ বিস্তাৰ কৰে।
- পৰিকল্পনাৰ কাৰ্যকলাপ, সংগঠন, নিৰ্দেশনা, আৰু পৰিচালনা, আদি প্ৰক্ৰিয়াৰ দ্বাৰা বিদ্যালয়ৰ প্ৰতিষ্ঠাপন প্ৰক্ৰিয়া আৰু ভাল ফলাফলৰ ভাবে লোৱা পৰিচালনা প্ৰক্ৰিয়াবোৰ অনুমান পাব পাৰি। ইয়াৰ পৰিবৰ্তে নেতৃত্বই বিদ্যালয়ৰ



টোকা

কৰ্মকৰ্তাসকলৰ মাজত থকা ব্যক্তিগত সহসম্বন্ধৰ লগতহে বেছি জড়িত। পৰিচালক হিচাবে তেওঁ পৰিকল্পনা, সংগঠন আৰু প্ৰশাসনৰ ওপৰত গুৰুত্ব দিয়ে আৰু নেত্ৰী হিচাবে তেওঁ উৎসাহ, অভিৰোচন, প্ৰভাৰ বিস্তাৰ আৰু প্ৰয়োজনীয় পৰিবৰ্তনৰ ওপৰত জোৰ দি কাৰ্য সমাধা কৰোৱায়।

- নেতৃত্বৰ প্ৰকাৰে বিদ্যালয়ক কোন দিশে আগবঢ়াই নিব তাৰ দৃষ্টিকোণ বা শৈলী সম্পৰ্কে পৰিকল্পনা কিদৰে কাৰ্যান্বিত কৰিব আৰু ৰাইজক কিদৰে অভিৰোচন কৰিব তাৰ আভাস দিয়ে। চাৰি প্ৰকাৰৰ নেতৃত্ব আছে যেনে - নিৰংকুশ, (আবদ্ধনীতি) আৰামতলব গণতান্ত্ৰিক।
- নেতৃত্বমূলক কাৰ্যকলাপ নেত্ৰী শিক্ষক/শিক্ষয়িত্ৰী গৰাকীৰ বিভিন্ন বিদ্যালয়ৰ পৰিসৰত শিকনৰ জটিল পৰিস্থিতিত আৰু বিদ্যালয় আৰু বিদ্যালয় সমাজৰ সম্পৰ্ক য'ত সাময়িকীকৰণৰ প্ৰতিফলন ঘটে আদি পৰিৱেশত এক অনন্য ভূমিকাৰে কৰ্তব্যৰত হ'ব বুলি ধৰি লোৱা হয়।

## 7.7 অনুমোদিত গ্ৰন্থ আৰু প্ৰসংগপুথি ঃ

Bennis, W. G. (1975): *Where have all the leaders gone?* Washington, DC: Federal Executive Institute.

Burns, J.M. (1978): Leadership: New York: Harper & Row.

Cenkner, W. (1977) reported in the Leadership of Hindu gurus: Its meaning and Implications for Practice - www.ila-net.org.

IGNOU (2003) MES-103, BLOCK 2 (Institutional Life and Culture: Looking at Organisational Structures, Issues and Perspectives): New Delhi.

Keith Alan (2009): Genetech, A member of Roche group – www.wikipedia.org.

Kotter, J.P. (1992): Corporate Culture and performance, Free Press

Lefton, R.E.; Buzzotta, V.R. (2004): *Leadership through People Skills*, New Delhi: Tata McGraw-Hill.

Leithwood, K.; Jantzi, D.; Steinbach, R. (1999): Changing Leadership for Changing Times, Buckingham: Open University Press.

Ogbonia, K. (2011): Leadership Theories and Styles – www.wikipedia.org.

Rost, J. (1991): *Leadership for the twenty-first century,* New York: Praeger.

## 7.8. পাঠ গোটৰ অনুশীলন ঃ

1. যিকোনো দুটা নেতৃত্বৰ সূত্ৰ ব্যাখ্যা কৰা
2. বিদ্যালয় পৰিসৰত শক্তিশালী নেতৃত্ব আৰু দুৰ্বল পৰিচালনা- ন্যায়সংগত কাৰণ দৰ্শোৱা।
3. নেতৃত্বৰ প্ৰকাৰ মানে কি বুজা লিখা।
4. নেতৃত্বৰ কাৰ্যকলাপবোৰ কি কি?
5. বিদালয় পৰিসৰত শিক্ষক এজনৰ নীতিবাচক নেতৃত্বৰ উন্নয়নৰ ক্ষেত্ৰত আপুনি কি উপদেশ দিব।